যেতিয়া তোমালোকে চালাত আদায় কৰিবা , তেতিয়া শাৰীবোৰ চিধা কৰি লবা। ইয়াৰ পিছত তোমালোকৰ মাজৰ পৰাই কোনোবাই ইমামতি কৰিবা। ইমামে যেতিয়া তাকবীৰ দিব তেতিয়া তোমালোকেও তাকবীৰ দিবা।

হিত্তান বিন আব্দুল্লাহ আৰ -ৰাক্কাশ্বীৰ পৰা বৰ্ণিত , তেওঁ কৈছেঃ মই এবাৰ আবু মুছা আল-আশ্বআৰী ৰাদ্বিয়াল্লাহু আনহুৰ সৈতে নামাজ পঢ়িলোঁ। তেওঁ যেতিয়া তাশ্বাহহুদত বহিল , জামাআতত থকা কোনোবা এজনে ক'লে যে, নেকী আৰু জাকাতৰ সৈতে নামাজ ফৰজ কৰা হৈছে। বৰ্ণনাকাৰীয়ে কৈছেঃ আবু মুছাই নামাজ শেষ কৰি লোকসকলক উদ্দেশ্য কৰি সুধিলে , তোমালোকৰ মাজৰ কোনে এই কথা ক'লে? সকলোৱে নিৰৱ হৈ থাকিল, তেওঁ আকৌ সুধিলেঃ তোমালোকৰ মাজৰ কোনে এই কথা ক'লে? পুনৰ সকলোৱে নিৰৱ হৈ থাকিল। ইয়াৰ পিছত তেওঁ ক'লেঃ হে হিত্তান ! সম্ভৱতঃ তুমিয়ে এই কথা কৈছা। হিত্তানে ক 'লেঃ মই কোৱা নাই। কিন্তু তথাপিও মই ভয় কৰিছিলোঁ, আপুনি মোৰ ওপৰতে খং কৰিব নেকি। তেনেতে এজনে থিয় হৈ ক'লেঃ মই কৈছোঁ , মই ইয়াৰ দ্বাৰা কোনো বেয়া ভাৱ প্ৰকাশ কৰা নাছিলোঁ , কল্যাণহে কামনা কৰিছোঁ। তেতিয়া আবু মুছাই ক 'লেঃ নামাজত কি ক'ব লাগে সেয়া তোমালোকে নাজানা নেকি ? নিশ্চয় ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে আমাৰ সন্মুখত ভাষণ প্ৰদান কৰি নিয়মকানূনসমূহ স্পষ্টভাৱে শিকাইছিল তথা নামাজৰ শিক্ষা দিছিল। তেখেতে কৈছিলঃ যেতিয়া তোমালোকে চালাত আদায় কৰিবা, তেতিয়া শাৰীবোৰ চিধা কৰি লবা। ইয়াৰ পিছত তোমালোকৰ মাজৰ পৰাই কোনোবাই ইমামতি কৰিবা। ইমামে যেতিয়া তাকবীৰ দিব তেতিয়া তোমালোকেও তাকবীৰ দিবা। আৰু যেতিয়া ইমামে [غَيْرِ الْمَغْضُوبِ عَلَيْهِمْ وَلا الضَّالِّينَ} [الفاتحة: 7} ক'ব, তেতিয়া তোমালোকে আমীন ক'বা। আল্লাহে তোমালোকৰ আহ্বানত সঁহাৰি দিব। যেতিয়া ইমামে তাকবীৰ দি ৰুকু কৰিব , তেতিয়া তোমালোকেও তাকবীৰ দি ৰুকু কৰিবা। কাৰণ ইমামে তোমালোকৰ আগত ৰুকুত যাব আৰু তোমালোকৰ আগতে ৰুকুৰ পৰা উঠিব। ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ এইটো হৈছে সেইটোৰ বিনিময়ত , অৰ্থাৎ ইমামে আগত ৰুকুত গৈছে সেয়ে আগতে উঠিব। এইদৰে তেওঁ যেতিয়া ছামি আল্লাহু লিমান হামিদাহ ক 'ব, তেতিয়া তোমালোকে ক 'বাঃ আল্লাহুম্মা ৰাব্বানা লাকাল হাম্দ। আল্লাহে তোমালোকৰ কথা নিশ্চয় শুনিব। কিয়নো মহান আল্লাহে তেওঁৰ নবীৰ মুখেৰে কোৱাইছে যে , আল্লাহে প্ৰশংসাকাৰীৰ প্ৰশংসা শুনে। ইয়াৰ পিছত ইমামে যেতিয়া তাকবীৰ কৈ ছাজদাহ কৰিব তেতিয়া তোমালোকেও তাকবীৰ পাঠ কৰি ছাজদাহ কৰিবা। লগতে শুনা, ইমামে তোমালোকৰ আগত ছাজদাত যাব আৰু তোমালোকৰ আগতে ছাজদাৰ পৰা উঠিব। কাৰণ তেওঁ আগত গৈছে সেয়ে আগতে উঠিব। এইদৰে তাশ্বাহহুদত প্ৰথমে তোমালোকে এইটো পাঠ কৰিবাঃ আত্তাহিয়্যাতু আত -তায়্যিবাতু আচ্ছালাৱাতু লিল্লাহ , আচ্ছালামু আলাইকা আয়্যুহান্নাবীয়্যু অৰাহমাতুল্লাহি অবাৰাকাতুহ। আচ্ছালামু আলাইনা ওৱা আলা ইবাদিল্লাহিচ চলিহীন। আশ্বহাদু আল লা ইলা -হা ইল্লাল্লাহ , ওৱা আশ্বহাদু আন্না মুহাম্মাদান আব্দুহু ওৱা ৰাছুলুহ।

[ছহীহ] [(মুছলিম)]

চাহাবী আবু মুছা আল -আশ্বআৰী ৰাদ্বিয়াল্লাহু আনহুৱে এবাৰ নামাজ পঢ়াই আছিল , তাশ্বাহহুদত উপস্থিত হোৱাৰ পিছত কোনোবা এজনে পিছফালৰ পৰা ক 'লেঃ কোৰআনত নামাজক নেকী আৰু জাকাতৰ সৈতে উল্লেখ কৰা হৈছে। নামাজ শেষ কৰি আবু মুছা ৰাদ্বিয়াল্লাহু আনহুৱে মুক্তাদীসকলৰ ফালে

[غَيْرِ الْمَغْضُوبِ عَلَيْهِمْ وَلا الضَّالِّينَ] [الفاتحة: 7}

http://www.sunnah.global/hadeeth/as/show/65097